এছ.চি.চি. ২০১২ অনলাইন জি.এ.ইও. ২০৪: (২০১২)১১৫ এ.আই.চি. ৭৬৪: (২০১২) ৭৮ এ.চি.চি. (এচ. ইও. এম. ১৯)৬: ২০১৩ ক্ৰী.এল.জে. (এন.ও.চি.২০৫) ৭১

**গৌহাটী উচ্চ ন্যায়ালয়**

(ন্যায়াধীশ বি.ডি. আগৰৱাল বিচাৰপীঠৰ সাক্ষ্যাতে)

ৱাজেদ আলী, পিতা- নবিবৰ ৰহমান ওৰফে নবু, সাং–গাওঁ- নগৰঝাৰ, হেলাপাকুৰি), থানা- বৰপেটা, জিলা- বৰপেটা, অসম

... আবেদনকাৰী;

*-বনাম-*

অসম ৰাজ্য ... উত্তৰদাতা।

অগ্ৰিম জামিন আবেদন নং ১৯৬২/২০১২

ৰায়দান- ৫ জুন, ২০১২

এই গোচৰত হাজিৰ হোৱা অধিবক্তাসকল:

আবেদনকাৰীৰপক্ষত... অধিবক্তাসকল- শ্ৰী এইচ. আৰ. এ. চৌধুৰী, শ্ৰী এম. চৌধুৰী, শ্ৰী এ. টি. চৰকাৰ, শ্ৰী এ. ইছলাম।

প্ৰতিবাদীৰপক্ষত... বিদ্বান অতিৰিক্ত চৰকাৰী অধিবক্তা শ্ৰী বি.বি.গগৈ।

তথ্যদাতাৰ পক্ষত অধিবক্তা জে. আহমেদ।

আদালতৰ আদেশ প্ৰদান কৰে **ন্যায়াধীশ বি.ডি. আগৰৱালা**ই এনেদৰে:- আপাতদৃষ্টিত, এই গোচৰৰ এজাহাৰত উত্থাপিত অভিযোগ সচৰাচৰ হৈ থকা ঘটনা যদিও, ই নাবালিকা, কিশোৰী লগতে অপহৰণ, যৌন নিৰ্যাতন আৰু বাল্যবিবাহৰ বলি হোৱা বুলি অভিযোগ উঠা ভুক্তভোগী ছোৱালীৰ সাক্ষ্য লিপিবদ্ধ কৰা সময়ত দণ্ডাধীশসকলে অনুসৰণ কৰিবলগীয়া আইন বিষয়ক এক পদ্ধতিৰ উত্থাপন কৰে।

২) এই আবেদনৰ দ্বাৰা ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩-ৰ ৪৩৮ ধাৰাৰ অধীনত অভিযুক্ত ৱাজিদ আলীয়ে বৰপেটা থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৬৬(এ)/৩৪২/৩৪-ৰ অধীনত ৰুজু হোৱা গোচৰ নং ৪২৮/২০১২ (জি. আৰ. নং ৭৬৭/২০১২)-ত গ্ৰেপ্তাৰৰ আশংকা কৰি অগ্ৰিম জামিনৰ বিশেষাধিকাৰ বিচাৰিছে।

৩) আবেদনকাৰীৰ পক্ষত বিদ্বান জেষ্ঠ্য অধিবক্তা- শ্ৰীযুত এইচ. আৰ. এ. চৌধুৰীৰ আৰু অসমৰ বিদ্বান অতিৰিক্ত চৰকাৰী অধিবক্তা- শ্ৰীযুত বি. বি. গগৈৰ পক্ষত যুক্তি শুনিলো। তাৰোপৰি বিদ্বান অধিবক্তা শ্ৰীযুত জে. আহমেদে তথ্যদাতাৰ পক্ষত উপস্থিত হৈ জামিন প্ৰাৰ্থনাত আপত্তি দৰ্শায়। তথ্যদাতাই লিখিত আপত্তি দাখিল কৰোতে, বিদ্যালয়ৰ প্ৰমাণপত্ৰৰ লগতে স্বাস্থ্য বিভাগে ৰুজু কৰা জন্মৰ প্ৰমাণপত্ৰ সংলগ্ন কৰা হৈছে, য'ত ভুক্তভোগী ছোৱালীৰ জন্মৰ তাৰিখ ১৯-০৯-১৯৯৯ বুলি দেখুওৱা হৈছে।

৪) মই গোচৰপঞ্জী আৰু জামিন আবেদনৰ লগত প্ৰাসংগিক গোচৰৰ তথ্যৰ সংলগ্নি নথি-পত্ৰৰ অৱলোকন কৰিছো।

৫) ১০-০৪-২০১২তাৰিখে শ্ৰী নজৰুল আলম ছিকদাৰ নামৰ এজন ব্যক্তিয়ে এখন এজাহাৰ দাখিল কৰি অভিযোগ কৰিছিল যে, ০৭-০৪-২০১২তাৰিখে তেওঁৰ ১২বছৰীয়া কন্যাক আবেদনকাৰী ৰাজিদ আলীয়ে অপহৰণ কৰিছিল আৰু হয়তো তাইক অশুভ শক্তিৰ ওচৰত বিক্ৰী কৰিছে। আবেদনকাৰীৰ লগতে তেওঁৰ পিতৃ আৰু আন কেইজনমান ব্যক্তিৰ নাম অভিযুক্ত ব্যক্তি হিচাপে উল্লেখ কৰা হৈছে। অৱশ্যে, কেৱল মুখ্য অভিযুক্তজনেহে মোৰ আদালতত অগ্ৰিম জামিন বিচাৰি আবেদন কৰিছে।

৬) আবেদনকাৰীৰ গোচৰ অনুসৰি ভুক্তভোগী, এগৰাকী ১৯বছৰীয়া প্ৰাপ্তবয়স্ক ছোৱালী আৰু তেওঁলোকৰ প্ৰেমৰ বাবেই ভুক্তভোগী ছোৱালীজনীৰ সৈতে আবেদনকাৰীৰ বিয়া হৈছে আৰু তেওঁলোকে স্বামী-স্ত্ৰী হিচাপে একেলগে বসবাস কৰি আছে। পূৱ বৰপেটা জিলাৰ কাজীয়ে প্ৰদান কৰা বিবাহৰ প্ৰমাণপত্ৰৰ লগতে মাণ্ডিয়া পি.এইচ.চি.ৰ চিকিৎসা বিষয়াই(আয়ুৰ্বেদিক) ৰুজু কৰা বয়সৰ প্ৰমাণপত্ৰও জামিন আবেদনৰ সৈতে গাঁঠি দিয়া হৈছে।

৭) আনহাতে, তথ্যদাতাৰ পক্ষত উপস্থিত বিদ্বান অধিবক্তা শ্ৰী আহমেদ, উপস্থাপন কৰিছিল যে, ভুক্তভোগীগৰাকীৰ বয়স ১৩বছৰৰ কম আৰু সেইবাবেই তেওঁ আবেদনকাৰীৰ দ্বাৰা প্ৰলোভিত হৈছে। বিদ্বান অধিবক্তা গৰাকীৰ মতে, নাবালক ল'ৰা বা ছোৱালীক তেওঁৰ অভিভাৱকৰ জিম্মাৰ পৰা আতঁৰাই অনা কাৰ্য্য অপহৰণৰ অনুৰূপ আৰু যিহেতু তথ্যদাতাৰ ছোৱালীজনী মাত্ৰ ১৩ বছৰীয়া আছিল, গতিকে আবেদনকাৰীয়ে দাখিল কৰা অগ্ৰিম জামিন আবেদনৰ বিশেষাধিকাৰৰ যোগ্য নহয় ।

৮) বিদ্বান অতিৰিক্ত চৰকাৰী অধিবক্তাগৰাকীয়ে স্বাস্থ্যসেৱা বিভাগে ২৫-০৫-২০১২তাৰিখত জাৰি কৰা গোচৰপঞ্জীৰ লগত সংলগ্ন জন্মৰ প্ৰমাণপত্ৰৰ ভিত্তিত ভুক্তভোগী ছোৱালীজনী কৈশোৰ বয়সৰ হোৱা সন্দৰ্ভত তথ্যদাতাৰ মতো সমৰ্থন কৰে। বিদ্বান অতিৰিক্ত চৰকাৰী অধিবক্তাগৰাকীয়ে উপস্থাপন কৰিছিল যে, আপাতদৃষ্টিত ভুক্তভোগী ছোৱালীজনীৰ বয়স ১৩বছৰ আৰু কোনোপধ্যেই ভুক্তভোগী ছোৱালীজনীক উপযুক্ত বয়সৰ বুলি বিবেচনা কৰিব নোৱাৰি ।

৯) গোচৰপঞ্জীৰ পৰাও গম পাওঁ যে, ভুক্তভোগী ছোৱালীজনীক বৰপেটাৰ ফকিৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতালত ২৬-০৫-২০১২ তাৰিখে স্বাস্থ্য পৰীক্ষা কৰোৱা হয় আৰু (অচিফিকেচন)অস্থিকৰণ পৰীক্ষা অনুসৰি ভুক্তভোগীৰ বয়স ১৮-ৰ পৰা ২০বছৰৰ বয়সৰ মানুহৰ গোটৰ ভিতৰত। অস্থিকৰণ পৰীক্ষাটো ডাঃ এফ. আক্তাৰে কৰিছিল আৰু সেই আধাৰত ডাঃ ভাৰতী দাসে চিকিৎসা- আইনী গোচৰৰ প্ৰতিবেদন দাখিল কৰিছিল ।

১০) ০৭-০৪-২০১২ তাৰিখে অভিযোগ কৰা অপহৰণ সংঘটিত হৈছিল আৰু এমাহতকৈ অধিক সময় ধৰি গ্ৰেপ্তাৰ হোৱাৰ পৰা সফলতাৰে এৰাই চলাৰ পিছত; ১৬-০৫-২০১২ তাৰিখে অভিযুক্তক ৱাজিদ আলীয়ে এই জামিন আবেদন দাখিল কৰে। অন্তৰ্বৰ্তীকালীন জামিন অনুমোদন দিয়াৰ সময়ত এই আদালতে আবেদনকাৰীক ভুক্তভোগী ছোৱালীজনীক অনুসন্ধানকাৰী বিষয়াৰ সন্মুখত হাজিৰ কৰাৰ নিৰ্দেশ দিছিল। এই আদালতৰ নিৰ্দেশ অনুসৰি অভিযুক্তই ভুক্তভোগী ছোৱালীজনীৰ সৈতে অনুসন্ধানকাৰী বিষয়াৰ আগত হাজিৰ হৈছিল। ২৩-০৫-২০১২তাৰিখে ফৌজদাৰী কাৰ্যবিধি আইনৰ, ১৬১ধাৰাৰ অধীনত তেওঁলোকৰ সাক্ষ্য লিপিবদ্ধ কৰা হৈছিল। ইয়াৰ পিছতে ২৬-০৫-২০১২ তাৰিখে ভুক্তভোগী ছোৱালীজনীক এফ.এ.এ. মেডিকেল কলেজ হাস্পতাললৈ লৈ যোৱা হৈছিল। ভুক্তভোগী ছোৱালীজনীৰ স্বাস্থ্য পৰীক্ষাত কিয় ৩দিন পলম হৈছিল সেই বিষয়ত গোচৰপঞ্জীত কোনো সন্তোষজনক ব্যাখ্যা নাই। যেতিয়ালৈকে এজাহাৰ দাখিল কৰাৰ ৬সপ্তাহৰ পিছত তেওঁ অন্তৰ্বৰ্তীকালীন জামিন লাভ নকৰালৈকে, অনুসন্ধানকাৰী বিষয়াগৰাকীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ মনযোগ সহকাৰে প্ৰচেষ্টা নচলালে। যি কাৰ্য্য, অভিযুক্তৰ পক্ষত উপস্থিত থকা বিদ্বান অধিবক্তাই অনুসন্ধানকাৰী বিষয়াগৰাকীয়ে পক্ষপাতমুলক তদন্ত কৰা বুলি অভিযোগ কৰাৰ শক্তিশালী ভিত্তি হিচাপে পৰিগণিত হৈছে।

১১) চিকিৎসা বিজ্ঞানৰ মতামতৰ সন্দৰ্ভত ক'বলৈ গ'লে, চিকিৎসকসকলৰ অত্যাৱশ্যকীয় তথ্যসমূহ প্ৰকাশ কৰাটোৱেই ন্যায্য আৰু সঠিক হ'ব, যিবোৰ তলত উল্লেখিত ধৰণৰ:

**উচ্চতা-১৫৮ চে.মি., ওজন-৩৭ কিলোগ্ৰাম, নিপলৰ স্তৰত বুকুৰ পৰিধি-৭০ চে.মি., নাভিৰ স্তৰত পেটৰ পৰিধি-৫৮ চে.মি., হাইমেন- ফাটি- যোৱা- যোনিত দুটা আঙুলি সোমোৱাব পাৰি। সোঁহাতৰ সৰু গাঁঠি; সোঁ কিলাকুটি; সোঁ কান্ধ আৰু পেলভিছ-এপিফিচিয়াল ইউনিয়নৰ এক্স-ৰে সম্পূৰ্ণ কৰা হৈছে; সোঁ হাতৰ সৰু গাঁঠিৰ সংযোগস্থল; সোঁ কিলাকুটিৰ গাঁঠি আৰু সোঁ কান্ধৰ গাঁঠিৰ এপিফিচিয়াল ইউনিয়নৰ এক্স-ৰে সম্পূৰ্ণ হোৱা নাই।**

১২) আপাতদৃষ্টিত চিকিৎসালয়ৰ মতামতৰ লগত বিদ্যালয় কৰ্তৃপক্ষ আৰু চৰকাৰী স্বাস্থ্য বিভাগে জাৰি কৰা বয়সৰ প্ৰমাণ পত্ৰৰ প্ৰত্যক্ষ সংঘাত স্পষ্ট হৈছে। মোৰ দৃষ্টিত এইয়ে যে, যেতিয়া হাতৰ সৰু গাঁঠি, কিলাকুটি আৰু কান্ধৰ গাঁঠিবোৰ সম্পূৰ্ণৰূপে সংবদ্ধ হোৱা নাছিল, চিকিৎসালয়ৰ প্ৰতিবেদনত উল্লেখ কৰা ছোৱালীজনীৰ প্ৰাপ্তবয়স্ক হোৱাৰ সন্দৰ্ভত মতামত গ্ৰহণ কৰাটো কঠিন। আৰ্শ্চয্যজনকভাবে ডাক্তৰেও প্ৰতিবেদনত তাইৰ দাঁতৰ সংখ্যা উল্লেখ কৰা নাছিল। তদুপৰি, ভুক্তভোগী ছোৱালীজনীৰ অবিকশিত শাৰীৰিক বৈশিষ্ট্যইও প্ৰমাণ কৰে যে, ভুক্তভোগী নাবালিকা। লগতে সংযোগ কৰিব বিচাৰিছো যে, যিহেতু চিকিৎসালয়ৰ প্ৰতিবেদনত প্ৰক্ষেপন কৰা হৈছে যে, ভুক্তভোগী ছোৱালীজনীয়ে প্ৰথমতে চিকিৎসকৰ আগতে ১৩বছৰ বয়সৰ বুলি প্ৰকাশ কৰিছিল, যিটো পৰৱৰ্তী সময়ত ১৮বছৰলৈ সংশোধন কৰা হৈছিল। চিকিৎসালয়ৰ প্ৰতিবেদনখনো সন্দেহৰ উৰ্ধত নহয় যিহেতু চিকিৎসকে ছোৱালীজনীক কেতিয়া তাইৰ মেনাৰ্ছে (মাহেকীয়া) আৰম্ভ হৈছিল সেই বিষয়ে কোনো প্ৰশ্ন কৰা নাছিল। সেইবাবে এই পৰ্যায়ত এই চিকিৎসা বিধিৰ প্ৰতিবেদনখনক ভুক্তভোগী ছোৱালীজনীৰ বয়স নিৰ্ধাৰণৰ ক্ষেত্ৰত চূড়ান্ত হিচাপে গণ্য কৰিব নোৱাৰি।

১৩) আবেদনকাৰীয়ে আদালতত এজন আয়ুৰ্বেদিক চিকিৎসকে প্ৰদান কৰা বয়সৰ প্ৰমাণপত্ৰ দাখিল কৰি ভুক্তভোগীৰ বয়স প্ৰায় ১৯বছৰ বুলি দিয়া স্পষ্টীকৰণো গ্ৰহণযোগ্য নহয় কাৰণ, এইখন ক্লিনিকেল আৰু ৰেডিঅ'লজিকেল পৰীক্ষা অবিহনে জাৰি কৰা হৈছে। এইটো একেবাৰে অন্য দিশ যে, আয়ুৰ্বেদিক

চিকিৎসকে বয়সৰ প্ৰমাণপত্ৰ প্ৰদান কৰিব পাৰে নেকি, অথবা এনে প্ৰমাণপত্ৰ ব্যক্তিগতভাৱে অভিযুক্তক গতাই দিব পাৰা যাব নেকি। এই দিশসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষই নিশ্চয় পৰীক্ষা কৰি চাব। যদি চিকিৎসা বিষয়াই চৰকাৰী নিৰ্দেশনা আৰু বিজ্ঞপ্তি উলংঘা কৰি বয়সৰ প্ৰমাণপত্ৰ প্ৰদান কৰে, চৰকাৰে সংশ্লিষ্ট চিকিৎসকসকলৰ বিৰুদ্ধে উপযুক্ত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ আশা কৰা যায়।

১৪) তথ্যদাতাৰ আপত্তিত উল্লেখ কৰিছে যে, তেওঁ ৩০-০৫-১৯৯৫ তাৰিখে বিবাহপাশত আবদ্ধ হয় আৰু ভুক্তভোগী ছোৱালীজনী তেওঁৰ দ্বিতীয় সন্তান। প্ৰথম সন্তানৰ জন্ম ২৫-১১-১৯৯৬ তাৰিখে হৈছিল। পিতৃয়ে প্ৰকাশ কৰা ভুক্তভোগী ছোৱালীজনীৰ বয়সৰ, অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ প্ৰমাণপত্ৰ আৰু বিদ্যালয়ৰ প্ৰমাণ পত্ৰৰ লগতে অনুসন্ধানকাৰী বিষয়াৰ আগত প্ৰকাশ কৰা ভুক্তভোগীৰ বক্তব্যৰ লগত মিল আছে। সেয়েহে মোৰ প্ৰথম দৃষ্টিত ভুক্তভোগী ছোৱালীজনী কিশোৰী/নাবালিকা আৰু ল’ৰাৰ লগত পলায়ন কৰাৰ বয়সৰ বহু তলত বুলি ধৰি ল'বলৈ দ্বিধাবোধ নাই।

১৫)অভিযুক্ত আৰু ভুক্তভোগী ছোৱালীজনীয়ে ২৩-০৫-২০১২ তাৰিখে অনুসন্ধানকাৰী বিষয়াৰ আগত দিয়া বক্তব্য মোৰ বোধেৰে অসাৰভাৱে লিপিবদ্ধ কৰা হৈছিল। অনুসন্ধানকাৰী বিষয়াই অভিযুক্তক জেৰা কৰা নাই যে, কেনেকৈ তেওঁ ভুক্তভোগী ছোৱালীজনীৰ সংস্পৰ্শলৈ আহিছিল আৰু ক’ত তেওঁলোকে বিবাহৰ পঞ্জীয়ন কৰিছিল। একেদৰে ভুক্তভোগী ছোৱালীজনীকো তাইৰ স্কুল, বয়স, ভাই-ভনী, শিক্ষা, স্বাস্থ্য আদি সম্পৰ্কে প্ৰশ্ন কৰা নাই। ভুক্তভোগী ছোৱালীজনীয়ে অনুসন্ধানকাৰী বিষয়াৰ আগত তাই ১৩ বছৰীয়া বুলি কোৱাৰ পিছতো অনুসন্ধানকাৰী বিষয়াই তদন্ত শেষ নোহোৱালৈকে তাইক পৰ্যবেক্ষণ গৃহত ৰাখিবলৈ আদালতত কোনো আবেদন দাখিল নকৰিলে। একেদৰে অনুসন্ধানকাৰী বিষয়াজনে কাজীয়ে কি ভিত্তিত নাবালিকা ছোৱালীজনীৰ বিবাহ পঞ্জীয়ন কৰিছিল সেই বিষয়ে কাজীৰ বক্তব্যও লিপিবদ্ধ কৰা নাছিল।

১৬) এতিয়া আদালতৰ অতিকৈ প্ৰয়োজনীয় এয়েই যে, ভুক্তভোগী ছোৱালীজনীৰ বক্তব্যলিপিবদ্ধ কৰোঁতে বিদ্বান ন্যায়িক দণ্ডাধীশে গ্ৰহণ কৰা পদ্ধতিক উচ্চ ন্যায়ালয়ে অনুমোদন জনাব পাৰিবনে নাই।

১৭) শ্ৰী আব্দুল হাকিম, বিদ্বান অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ বৰপেটা-ত ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অধীনত সাক্ষ্য লিপিবদ্ধ কৰা হৈছে,

য’ত ভুক্তভোগী ছোৱালীজনীয়ে তাইৰ বয়স ১৯ বছৰ বুলি প্ৰকাশ কৰিছে আৰু লগতে উল্লেখ কৰিছে যে, প্ৰায় দুবছৰ ধৰি অভিযুক্তৰ সৈতে ডেটিং কৰাৰ পিছত স্বেচ্ছাই অভিযুক্তৰ সৈতে পলায়ন কৰিছিল। মই আগতেও উল্লেখ  কৰিছো যে, এজাহাৰত আৰু বয়সৰ প্ৰমাণপত্ৰ অনুসৰি আপাতদৃষ্টিত ভুক্তভোগীগৰাকী ১৩বছৰ বয়সৰ তলৰ ছোৱালী। তাৰপিছতো অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশে ভুক্তভোগীৰ বয়স ১৯বছৰ বুলি লিপিবদ্ধ কৰিবলৈ এক মুহূৰ্তৰ বাবেও থমকি ৰোৱা নাছিল। বিদ্বান দণ্ডাধীশে নিজস্বভাৱে নিশ্চিত কৰিবলৈও ভুক্তভোগীক এবাৰো প্ৰশ্ন নকৰিলে যে, কি ভিত্তিত তাই নিজকে প্ৰাপ্তবয়স্ক ছোৱালী বুলি দাবী কৰিছিল।

১৮) এই পৰ্যায়ত মই লিপিবদ্ধ কৰি ৰাখিব বিচাৰিছো যে, মহিলাসকলৰ বিৰুদ্ধে অবিৰত হাৰত অপৰাধ বৃদ্ধি পাইছে। এনে অপৰাধৰ অধিকাংশই হৈছে নাবালিকা ছোৱালীৰ অপহৰণ আৰু যৌন শোষণ বিষয়ক। বৃহৎ সংখ্যক জামিন আবেদনো নাবালিকা ছোৱালীৰ অপহৰণ বিষয়ক। এইকথাও লক্ষ্য কৰা হৈছে যে, এনে গোচৰৰ তদন্ত আওঁপুৰণি পদ্ধতিৰে কৰি থকা হৈছে। এইবিষয়ো পৰিলক্ষিত যে, ভুক্তভোগীৰ সাক্ষ্য বৈজ্ঞানিকভাৱে লিপিবদ্ধ কৰা নহয় আৰু কোনো ন্যায়িক অন্তঃদৃষ্টিৰ প্ৰয়োগ নকৰাকৈ কিশোৰ- কিশোৰীয়ে দিয়া বক্তব্যসমূহ সত্য হিচাপে নিশ্চিত কৰা হয়।

১৯) ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অনুসৰি ন্যায়িক দণ্ডাধীশৰ দ্বাৰা সাক্ষী আৰু অভিযুক্তসকলৰ সাক্ষ্যসমূহ লিপিবদ্ধ কৰা হয়। শপতনামাৰ জৰিয়তে লিপিবদ্ধ কৰা নহয় যদিও, অভিযুক্ত ব্যক্তিসকলৰ স্বীকাৰোক্তিমূলক বক্তব্যৰ উচ্চ-প্ৰমাণিক মূল্য থাকে। তাৰ বিপৰীতে সাক্ষীৰ বক্তব্যসমুহো শপতনামাৰ জৰিয়তে লিপিবদ্ধ কৰা হয় আৰু সেইবাবেই তেওঁলোকৰ বক্তব্যক কাৰ্যতঃ পবিত্ৰ বুলি গণ্য কৰা হয় আৰু বিচাৰৰ সময়ত আদালতৰ উপযুক্ত মনযোগ লাভ কৰে। এইটো এইকাৰণেই হয় যে, যেতিয়া শপতনামাৰ জৰিয়তে সাক্ষ্য দিয়া হয়, তেতিয়া সাক্ষীসকলে মিছা বক্তব্য দিলে মিছা শপতৰ অভিযোগত আইনী শাস্তিৰ কবলত পৰিব পাৰে বুলি সচেতন হৈ থাকে। এই আইনী পবিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়িক দণ্ডাধীশে সাক্ষীৰ সাক্ষ্যসমূহ ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অধীনত লিপিবদ্ধ কৰোতে উপযুক্ত যত্ন আৰু পৰ্যাপ্ত সাৱধানতা অৱলম্বন কৰাটো উচিত। সেয়েহে মোৰ মতামত  অনুসৰি অপহৰণ আৰু যৌন নিৰ্যাতনৰ বলি হোৱা ভুক্তভোগীৰ বক্তব্য লিপিবদ্ধ কৰোতে,

বিশেষকৈ যদিহে ভুক্তভোগীসকল নাবালক যেন লাগে স্বীকাৰোক্তিমূলক বক্তব্য গ্ৰহণৰ পদ্ধতি অনুসৰণ কৰিব লাগে।

২০) অভিযুক্তৰ স্বীকাৰোক্তিমূলক বক্তব্য অপ্ৰাসংগিক যদিহে, আদালতৰ দৃষ্টিত এই বক্তব্য কোনো প্ৰৰোচনা, ভাবুকি বা প্ৰতিশ্ৰুতিৰ জৰিয়তে প্ৰদান কৰা হয় আৰু সাক্ষ্য আইনৰ ধাৰা ২৪ দ্বাৰা প্ৰভাৱিত বুলি বিবেচনা কৰে। প্ৰাথমিক পৰ্যায়ত স্বীকাৰোক্তিমূলক বক্তব্যৰ প্ৰমাণিক মূল্য অন্যান্য বিষয়ৰ লগতে এই বক্তব্য প্ৰদান কৰা পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। এক সত্য আৰু স্বেচ্ছামূলক বক্তব্য লাভ কৰিবলৈ অভিযুক্তক চিন্তা-চৰ্চাৰ ৰিফলেকচন(প্ৰতিফলন)-ৰ বাবে পৰ্যাপ্ত সময় দিয়াটো অপৰিহাৰ্য। ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে *শিৰপ্পা বনাম কৰ্ণাটক ৰাজ্য*; (১৯৯৫) ২ এছ.চি.চি. ৭৬ গোচৰত '**প্ৰতিফলন**'ৰ প্ৰাসংগিকতা আৰু গুৰুত্ব সংক্ষিপ্তভাৱে তলত দিয়া ধৰণে উল্লেখ কৰিছে:

"***৬.*** *ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ সাধাৰণ বিৱৰণী লগতে উচ্চ ন্যায়ালয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অধীনত অভিযুক্তৰ স্বীকাৰোক্তিমূলক বক্তব্য লিপিবদ্ধ কৰা সম্পৰ্কে গৃহীত নিয়ম তথা নিৰ্দেশনা ভিত্তিত এইকথা প্ৰকাশ পায় যে, উক্ত বিধানসমূহে দণ্ডাধীশক তদন্তৰ ওপৰত গুৰুত্ব আৰোপ কৰি স্বীকাৰোক্তিৰ স্বেচ্ছামূলক গুণ নিৰ্ণয়ৰ অনুসন্ধানৰ ক্ষমতা প্ৰদান কৰিছে। এই অনুসন্ধান ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা১৬৪-ৰ অধীনত স্বীকাৰোক্তিমূলক বক্তব্য লিপিবদ্ধ কৰোতে দণ্ডাধীশৰ কৰ্তব্যৰ আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ অংশ হয় যেন লাগে। স্বীকাৰোক্তিৰ স্বেচ্ছামূলক স্বৰূপ নিৰ্ণয় কৰিবলৈ দণ্ডাধীশে সেইধৰণৰ প্ৰশ্ন আৰোপ কৰাত হোৱা ব্যৰ্থতাই বস্তুতাত্ত্বিক দিশত অভিযুক্তৰ স্বীকাৰোক্তিৰ প্ৰমাণিক মূল্য ইমানেই হ্ৰাস কৰে যে, ইয়াৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰাটো নিৰাপদ নহ'ব। কেৱল ৰূপতে নহয়, মূলতঃ ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা গৃহীত নিয়মৰ পৰ্যাপ্ত অনুসৰণ কৰাটো আৱশ্যকীয় আৰু ইয়াৰ অনুকৰণ অবিহনে দণ্ডাধীশৰ স্বীকাৰোক্তি লিপিবদ্ধ কৰাৰ ক্ষেত্ৰাধিকাৰৰ মূললৈকে লৈ যায় আৰু স্বীকাৰোক্তিক বিশ্বাসৰ অযোগ্য বুলি প্ৰতিষ্ঠা কৰে। স্বীকাৰোক্তিমূলক বক্তব্য লিপিবদ্ধ কৰিবলৈ আগবাঢ়ি যোৱাৰ আগতে,* ***জিম্মাত লোৱা অভিযুক্তৰ পৰা অন্বেষণমূলক অনুসন্ধান কৰিব লাগিব যে, তেওঁক ক'ৰ পৰা হাজিৰ কৰা হৈছে আৰু জিম্মাত থকাৰ সময়ত তেওঁ কেনেধৰণৰ ব্যৱহাৰ লাভ কৰিছিল, এইকথা নিশ্চিত কৰিবলৈ যে, তাত বিচাৰৰ প্ৰতি আগ্ৰহী কোনো***

***বাহ্যিক তত্ত্বই কাৰ্য্যবিধিক প্ৰভাৱিত কৰা নাই, যি বৰ্তমানেও অভিযুক্তৰ মনত ক্ৰিয়া কৰাৰ অতিৰিক্ত সন্দেহৰ অৱকাশ নাথাকে। যদিহে, দণ্ডাধীশে এনে অনুসন্ধানৰ ভিত্তিত আৱিষ্কাৰ কৰে যে, যদি এনে সন্দেহৰ অৱকাশ আছে, তেনেস্থলত অভিযুক্তক নিজৰ বক্তব্য দিবলৈ কোৱাৰ আগতে চিন্তা-চৰ্চা কৰিবলৈ পৰ্যাপ্ত সময় দিব লাগে আৰু বক্তব্য দিয়াৰ সময়ত তেওঁক আশ্বস্ত কৰিব লাগে যে, সম্পূৰ্ণৰূপে তেওঁ আৰক্ষীৰ প্ৰভাৱৰ বাহিৰত .......***"

*"**৭.** আৰক্ষীৰ জিম্মা বা জেলৰ পৰা অহা অভিযুক্তৰ স্বীকাৰোক্তি লিপিবদ্ধ কৰাৰ কৰ্তব্যত ন্যস্ত দণ্ডাধীশে, ন্যায়িক বিষয়া হিচাপে সেই কামৰ মূল্য বুজিব লাগে আৰু নিজ ন্যায়িক অন্তঃদৃষ্টিৰে তেওঁৰ বিবেক সন্তুষ্ট হ'ব লাগিব যে, অভিযুক্তই দিয়া বক্তব্য বাহ্যিকভাবে প্ৰভাৱিত নহয়। সেইটোৱেই প্ৰকৃতপক্ষে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অন্তৰ্গত বিধানসমূহ আৰু উচ্চ ন্যায়ালয়ে ইয়াৰ অধীনস্থ আদালতসমুহৰ নিৰ্দেশনাৰ বাবে গৃহীত কৰা নিয়মসমূহৰ অধীনত 'স্বেচ্ছামূলক' বক্তব্যৰ মুলতত্ব। তদুপৰি দণ্ডাধীশে কেৱল বক্তব্যৰ স্বেচ্ছামূলক বৈশিষ্ট্যৰ ওপৰতে সন্তুষ্ট হ'ব নালাগে, লগতে তেনে উপাদানসমুহৰ প্ৰস্তুতি আৰু আইনৰ বিধানসমূহৰ আৱশ্যকীয় প্ৰয়োজনীয়তাসমূহক অনুসৰণৰ প্ৰমাণ হিচাপে আদালতৰ নথিভুক্ত কৰিব লাগে, যিয়ে গোচৰৰ ৰায়দানৰ আদালতক সন্তুষ্ট কৰিব যে, স্বীকাৰোক্তিমূলক বক্তব্য অভিযুক্তই স্বেচ্ছাই প্ৰদান কৰিছিল আৰু বিধানসমূহ কঠোৰভাৱে পালন কৰা হৈছিল।"*

২১) ***ৰবীন্দ্ৰ কুমাৰ পল বনাম ভাৰত গণৰাজ্য***, প্ৰতিবেদন নং (২০১১) ২ এচ. চি. চি. ৪৯০ গোচৰটোত মহামান্য উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে, দণ্ডাধীশে স্বীকাৰোক্তিমূলক বক্তব্য লিপিবদ্ধ কৰোতে নিশ্চিত কৰক যে, ৰিফলেকচন (প্ৰতিফলন)-ৰ সময়চোৱাত অভিযুক্তজন সম্পূৰ্ণৰূপে আৰক্ষীৰ প্ৰভাৱৰ বাহিৰত আছিল আৰু তেওঁৰ ওপৰৰ অতিৰিক্ত প্ৰভাৱৰ ফলশ্ৰুতিত কোনো আত্ম-অভিযোগ্য বক্তব্য দিয়া নাই। মোৰ বিবেচিত মতামত অনুসৰি যৌন অপৰাধৰ বলি হোৱা ভুক্তভোগীৰ বক্তব্য আৰু বিশেষকৈ যদি ভুক্তভোগী নাবালিকা ছোৱালী হয়, তেনেক্ষেত্ৰত বক্তব্য লিপিবদ্ধ কৰাতো একে নীতিয়ে সমানে প্ৰযোজ্য হ'ব।

২২) মোৰ বিবেচিত মতামতত ইতিমধ্যে উল্লেখ কৰা ব্যৱস্থাসমুহৰ *মুতাতিচ-মতাণ্ডিচ*(প্ৰয়োজনীয় পৰিৱৰ্তন সাধনে)-ৰে অথবা অনুৰূপ মানসিকতাৰ ত্বাত্তিক

প্ৰয়োগ হ'ব লাগে। এই শ্ৰেণীৰ ভুক্তভোগীক অভিযুক্ত ব্যক্তিয়ে আবেগিকভাৱে ধৰি ৰাখে আৰু সেইবাবে তেওঁলোকে বিবৃতি দিয়াৰ সময়ত অভিযুক্তৰ মানসিক হেঁচা আৰু পৰিঘটনাৰ মানসিক চাপৰ পৰা ওলাই আহিব নোৱাৰে। সেয়েহে যথাযথ যত্নৰে আৰু প্ৰতিফলনৰ বাবে পৰ্যাপ্ত সময় দিয়াৰ পিছত যিসকলক কম বয়সতে প্ৰলোভিত বা যৌন নিৰ্যাতিত সেইসকল ভুক্তভোগীৰ বক্তব্য লিপিবদ্ধ কৰাটো প্ৰয়োজনীয়।

২৩) আদালতত পৰিলক্ষিত যে, অধিক সংখ্যক গোচৰতে ভুক্তভোগী ছোৱালীজনীক অনুসন্ধানকাৰী বিষয়া আৰু ন্যায়িক দণ্ডাধীশৰ আগত হাজিৰ কৰাৰ সময়ত লগত অভিযুক্ত ব্যক্তি বা আত্মীয় থাকে। ভুক্তভোগী ছোৱালীজনীক আনুষ্ঠানিকভাৱে অনুসন্ধানকাৰী বিষয়াই উদ্ধাৰ কৰা আৰু ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ধাৰাৰ অন্তৰ্গত সাক্ষ্যসমূহ লিপিবদ্ধ কৰা সময়ত যিহেতু, ইতিমধ্যে ভুক্তভোগীসকল যথেষ্ট সময়ৰ বাবে অভিযুক্ত ব্যক্তিসকলৰ জিম্মাত থাকে আৰু ফলস্বৰূপে তেওঁলোকৰ সৈতে এক সু- সম্পৰ্ক গঢ়ি তোলে। ফলশ্ৰুতিত, ভুক্তভোগী ছোৱালীবোৰে এনে বক্তব্য দিয়াৰ সম্ভাৱনা থাকে, যিবোৰৰ অভিযুক্তৰ সপক্ষে যায়। এনে অনুকূল বক্তব্য আবেগিকভাৱে বা অভিযুক্ত ব্যক্তিৰ প্ৰভাৱত দিয়া হয়।

২৪)এই গোচৰৰ তথ্য আৰু পৰিস্থিতিসমুহ মোৰ দ্বাৰা আগবঢ়োৱা মতামতসমুহৰ উল্লেখযোগ্য উদাহৰণ। যদিও, ভুক্তভোগীগৰাকী আপাতদৃষ্টিত ১৩বছৰীয়া ছোৱালী, ন্যায়িক দণ্ডাধীশৰ আগত উল্লেখো কৰিছে যে, বয়স ১৯বছৰ বুলি আৰু যোৱা দুবছৰৰ পৰা অভিযুক্তৰ সৈতে তাইৰ প্ৰেমৰ সম্পৰ্ক আছিল। যদি এই সাক্ষ্যক আপাতদৃষ্টিত লোৱা হয় তেন্তে, অভিযুক্ত নং ১/ আবেদনকাৰীয়ে ভুক্তভোগী ছোৱালীজনী প্ৰাপ্তবয়স্ক নহওঁতেই প্ৰলোভিত কৰিবলৈ আৰম্ভ কৰিছিল। পিতৃয়ে দাবী কৰা মতে যদি ভুক্তভোগী ছোৱালীজনী ১৩ বছৰীয়া, তেন্তে ১১বছৰ বয়সতে আবেদনকাৰীয়ে তাইক বিয়াৰ বাবে প্ৰলোভিত কৰিছিল। সাধাৰণতে ছোৱালীৰ ১১বছৰ বয়সত যৌৱন প্ৰাপ্তি নহয় আৰু সেইবাবে, ভুক্তভোগী ছোৱালীজনীয়ে প্ৰেম আৰু শাৰীৰিক সম্পৰ্ক স্থাপন কৰিব পৰাকৈ পৰিপক্ক নাছিল বা শাৰীৰিক সম্পৰ্কৰ কুপ্ৰভাৱৰ বিষয়ে জ্ঞাত নাছিল। ১৮৬০চনৰ দণ্ডবিধিৰ আইনৰ ৩৬১নং ধাৰা অনুসৰি যদি, ১৬বছৰৰ তলৰ ছোৱালীক প্ৰলোভিত কৰা হয়, এই কাৰ্য্যই তাইক বৈধ অভিভাৱকত্ব পৰা

অপহৰণ কৰাৰ সমান। সেয়েহে ভুক্তভোগী ছোৱালীজনীৰ স্বেচ্ছাই অভিযুক্তৰ সৈতে পলায়ন কৰা সাক্ষ্যটো আইনগতভাৱে গ্ৰহণযোগ্য নহয়।

২৫) নাবালিকা ছোৱালীৰ অবাধ অপহৰণৰ ন্যায়িক জাননী জাৰি কৰা আৰু নিয়মীয়া বা অগ্ৰিম জামিন বিচাৰি দাখিল কৰা বৃহৎ সংখ্যক জামিন আবেদনৰ পৰিপ্ৰেক্ষিতত অপহৰণ, যৌননিৰ্যাতন আৰু বাল্যবিবাহৰ ভুক্তভোগীৰ সাক্ষ্য লিপিবদ্ধ কৰোতে ন্যায়িক দণ্ডাধীশসকল অধিক সক্ৰিয় হোৱাটো বাঞ্ছনীয়। আনহাতে, ন্যায়িক বিষয়াসকল এইক্ষেত্ৰত সংবেদনশীল হোৱাতো প্ৰয়োজনীয় আৰু পূৰ্বতে উল্লেখ কৰা অপৰাধসমুহৰ বিষয়ে সুবিদিত হ'ব লাগে। এইখিনিতে এইকথালৈ আঙুলিয়াই দিব পাৰি যে, ভাৰত চৰকাৰে তালিকাভুক্ত আইন সংশোধন কৰি যৌন সম্পৰ্কৰ বাবে সন্মতি দিয়াৰ বয়স ১৬বছৰৰ পৰা ১৮বছৰলৈকে বৃদ্ধি কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। সেয়েহে, বিষয়াসকলে মনত ৰখা উচিত যে অপহৰণ, যৌনতা আৰু আইনগতভাৱে অনুমোদিত বয়সৰ আগতে হোৱা বিবাহে কেৱল ভুক্তভোগী ছোৱালীবোৰৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱাই নহয়, তেওঁলোকৰ কেৰিয়াৰো ধ্বংস কৰি পেলায় আৰু সপোনবোৰো থানবান হৈ পৰে। সেয়েহে ন্যায়িক দণ্ডাধীশসকলে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৬৪ ধাৰাৰ অধীনত ভুক্তভোগী ছোৱালীবোৰৰ সাক্ষ্য লিপিবদ্ধ কৰাৰ আগতে প্ৰতিফলনৰ বাবে পৰ্যাপ্ত পৰিমাণে সময় দিয়াটো বাঞ্ছনীয় আৰু লগতে এইটোও নিশ্চিত কৰিব লাগিব যে, এনে সাক্ষ্যসমুহ কোনো দিশৰ পৰা দিয়া হেঁচা, প্ৰভাৱ, প্ৰতিশ্ৰুতি বা ভাবুকিৰ ফলশ্ৰুতিত প্ৰদান কৰা নহয়। প্ৰতিফলনৰ সময় ভুক্তভোগীৰ বয়স, প্ৰলোভনৰ সময়, অভিযুক্তৰ সৈতে কটোৱা সময় আদিৰ ওপৰত নিৰ্ভৰ কৰিব।

২৬) পূৰ্বতে উল্লেখ কৰা নিৰ্দেশনাৰ সৈতে অগ্ৰিম জামিন আবেদন প্ৰত্যাখ্যান কৰা হৈছে। অভিযুক্ত/আবেদনকাৰীক ৫(পাঁচ)দিনৰ ভিতৰত বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, বৰপেটাৰ আগত আত্মসমৰ্পণ আৰু লগতে ভুক্তভোগী ছোৱালীজনীক আকৌ এবাৰ আদালতত হাজিৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তাইক হাজিৰ কৰোৱাৰ সময়ত, বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, বৰপেটাই ভুক্তভোগী ছোৱালীজনীৰ স্বাস্থ্য পৰীক্ষা এখন চিকিৎসা মহাবিদ্যালয়ৰ তিনিজনীয়া চিকিৎসকৰ দল এটাৰ দ্বাৰা নতুনকৈ কৰোৱায়। বৰপেটাৰ বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশে ভুক্তভোগী ছোৱালীজনীক অভিযুক্তৰ সৈতে তাইৰ সম্পৰ্কৰ প্ৰভাৱ নিষ্ক্ৰিয় কৰিবলৈ কমেও পাঁচ দিন পৰ্যবেক্ষণ গৃহত ৰাখিবলৈ আৰু তাৰপিছত

সাক্ষ্য ধাৰা১৬৪ ফৌজদাৰী কাৰ্যবিধি আইনৰ অধীনত নতুনকৈ লিপিবদ্ধ কৰিবলৈ পুনৰ নিৰ্দেশ দিয়ে। বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশৰ দ্বাৰা ভুক্তভোগী ছোৱালীজনীৰ বয়সৰ বিষয়ে নতুনকৈ সন্ধান পোৱালৈকে, অভিযুক্তকো জিম্মালৈও প্ৰেৰণ কৰা হ'ব।

২৭) চিকিৎসা বিষয়া(আয়ুৰ্বেদিক), মন্দিয়া পি. এইচ. চি.-য়ে প্ৰদান কৰা বয়সৰ প্ৰমাণপত্ৰৰ ফটোকপি আৰু এফ.এ.এ. চিকিৎসা মহাবিদ্যালয়, বৰপেটাৰ চিকিৎসকে জাৰি কৰা প্ৰমাণপত্ৰৰ লগত এই আদেশৰ প্ৰতিলিপি, প্ৰীন্সিপল অৱ নেচাৰেল জাষ্টিচ (প্ৰাকৃতিক ন্যায় নীতি) অনুসৰণ কৰি সংশ্লিষ্ট চিকিৎসা বিষয়া আৰু কাজীৰ বিৰুদ্ধে প্ৰশাসনিক/ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত আৰু সচিবলৈ প্ৰেৰণ কৰিবলৈ পঞ্জীয়কক নিৰ্দেশ দিয়া হৈছে।

২৮) এই আদেশৰ প্ৰতিলিপি অসম আৰক্ষী সঞ্চালক প্ৰধানলৈকো পঠিওৱা হৈছে, যিয়ে আৰক্ষী বিষয়াসকললৈ নাবালিকা ছোৱালীক অপহৰণ কৰাৰ এজাহাৰৰ বৈজ্ঞানিক পদ্ধতিৰে তদন্তৰ বাবে উপযুক্ত নিৰ্দেশনা জাৰি কৰিব পাৰে।

২৯) পঞ্জীয়কক এই আদেশৰ এক প্ৰতিলিপি গৌহাটী উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ অন্তৰ্গত সকলো ন্যায়িক দণ্ডাধীশলৈ প্ৰচাৰৰ বাবে অনুৰোধ জনাই মহামান্য মুখ্য ন্যায়াধীশ মহোদয়কো প্ৰেৰণ কৰিবলৈ পুনৰ নিৰ্দেশ দিয়া হৈছে।

-----------------------------------------------------

অনুবাদ: শ্ৰীমতী উৰ্মি হাজৰিকা, কনিষ্ঠবৰ্গ অনুবাদক

পৰীক্ষণ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু

ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"